**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 20-06-2026 **Time :** 21-25 Hrs

**ASSAMESE NIGHT BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

ইউৰোপীয় সংঘৰ ২৭ খন সদস্য ৰাষ্ট্ৰই ইয়াৰ নাগৰিকৰ বাবে অসম ভ্ৰমণৰ ক্ষেত্ৰত আৰোপ কৰা প্ৰতিবন্ধকতা প্ৰত্যাহাৰ কৰা বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা প্ৰকাশ কৰিছে। কিছু সময় পূৰ্বে সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰীগৰাকীয়ে এই কথা সদৰি কৰি কয়, যে ৰাজ্য চৰকাৰে এই সন্দৰ্ভত ইতিমধ্যে আনুষ্ঠানিক পত্ৰ লাভ কৰিছে। ব্ৰিটিছ ৰাষ্ট্ৰদূত হাৰ্ভে ডেফলিনে ৰাজ্যৰ মুখ্যসচিব ড০ ৰবি কোটাক পত্ৰযোগে কালিৰে পৰা এই প্ৰতিবন্ধকতা প্ৰত্যাহাৰ কৰা বুলি জনাইছে। এই সন্দৰ্ভত ড০ শৰ্মাই এইদৰে কয়-

*(বাইট ঃ ড০ শৰ্মা)*

০০০০০০০০

জাপানৰ প্ৰধানমন্ত্ৰী অসম আগমনৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে বিশেষ তৎপৰতা অৱলম্বন কৰিছে। জাপানৰ প্ৰধানমন্ত্ৰীগৰাকীৰ অসম আগমণৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰৰ কৰ্মচাৰী বিভাগে ৭০ গৰাকী জ্যেষ্ঠ বিষয়াক দায়িত্ব অৰ্পন কৰিছে। প্ৰধানমন্ত্ৰীগৰাকীৰ ভ্ৰমণ, পৰিবহণ, সকলো ব্যৱস্থাপনা নিয়াৰিকৈ পৰিচালনা কৰিবলৈ এই বিষয়াসকলক নিৰ্দেশ দিয়া হৈছে। ইয়াৰ উপৰিও ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও মন্ত্ৰীক প্ৰধানমন্ত্ৰীগৰাকীৰ ভ্ৰমণ কালছোৱাত সংগ দিবলৈ নিৰ্দেশ দিয়া হৈছে। সমান্তৰালকৈ জাপানৰ প্ৰধানমন্ত্ৰীগৰাকীৰ আগমণৰ বাবেই গুৱাহাটী মহানগৰক নতুনকৈ সজাই-পৰাই তোলা হৈছে। ৰাজ্য চৰকাৰৰ নিৰ্দেশত গুৱাহাটী পৌৰ নিগম আৰু লোক নিৰ্মাণ বিভাগে যুদ্ধকালীন তৎপৰতাৰে মহানগৰক চাফ-চিকুণ কৰাৰ লগতে ৰাজহুৱা স্থানত নতুন ৰূপ দিয়া চেষ্টা চলাইছে।

০০০০০০০০

কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ ৫৮ সংখ্যক স্মৃতি দিৱস আজি ৰাজ্যজুৰি বিস্তৃত কাৰ্যসূচীৰে পালন কৰা হৈছে। স্বাধীনতা সংগ্ৰামৰ পৰা আৰম্ভ কৰি শিল্প, সাহিত্য, সংস্কৃতি আৰু বৌদ্ধিক ক্ষেত্ৰলৈ অনবদ্য অৱদান আগবঢ়াই যোৱা বিষ্ণু ৰাভাৰ সংগ্ৰামী জীৱনাদৰ্শ আৰু সৃষ্টিৰাজিয়ে প্ৰতিগৰাকী অসমীয়াক চিৰদিন অনুপ্ৰাণিত কৰি আহিছে।

ৰাজ্যৰ বিভিন্ন ঠাইত বিষ্ণু ৰাভা দিৱস উপলক্ষে আজি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আজি গুৱাহাটীৰ পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰীদামোদৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত বিষ্ণুৰাভা দিৱস উদযাপন কৰা হয়। এই অনুষ্ঠানতে ২০২৬ বৰ্ষৰ বিষ্ণুৰাভা বঁটা আৰু সতী সাধনী বঁটাৰ লগতে ৰাষ্ট্ৰীয় পৰ্যায়ৰ, ২০২৫ বৰ্ষৰ আজানপীৰ বঁটা প্ৰদান কৰা হয়। উল্লেখযোগ্য যে, জিকিৰ আৰু জাৰীৰ প্ৰসিদ্ধ শিল্পী গোলাঘাটৰ ছামচুদ্দিন আহমেদলৈ ২০২৫ বৰ্ষৰ আজানপীৰ ৰাষ্ট্ৰীয় বঁটা আগবঢ়োৱা হয়। সত্ৰীয়া শিল্পী মাণিক বৰবায়ন আৰু চিত্ৰশিল্পী মধুসূদন দাসলৈ ৰাজ্যিক পৰ্যায়ৰ ২০২৬ বৰ্ষৰ বিষ্ণুৰাভা বঁটা প্ৰদান কৰে। লেখিকা গীতা উপাধ্যায়লৈ ২০২৬ বৰ্ষৰ সতী সাধনী বঁটা আগবঢ়োৱা হয়।

অসমৰ সমাজ, সাহিত্য, সংস্কৃতি আৰু কলাক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে তেওঁলোকক এই সন্মানীয় বঁটা প্ৰদান কৰা হয়।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পশ্চিমবংগৰ তাৰাকেশ্বৰৰ পৰা পি এম কিষাণ উৎসৱ দিৱস কাৰ্যসূচী উপলক্ষে প্ৰধানমন্ত্ৰী কৃষক সন্মাননিধি আঁচনি ২৩ সংখ্যক কিস্তি আনুষ্ঠানিকভাৱে মুকলি কৰে। এই আঁচনিৰ ধন যোগ্য কৃষকসকলৰ বেংক একাউণ্টলৈ পোনপটীয়াকৈ হস্তান্তৰ কৰা হয়। উল্লেখযোগ্য যে, এই আঁচনিৰ অধীনত প্ৰতিজন যোগ্য হিতাধিকাৰী কৃষকে দুহেজাৰ টকাকৈ বছৰত তিনিটা কিস্তিত মুঠ ৬ হাজাৰ টকা লাভ কৰি আহিছে। অসমৰ বিভিন্ন জিলাৰ কৃষি বিভাগে প্ৰধানমন্ত্ৰীৰ এই অনুষ্ঠানটো কৃষকৰ বাবে পোনপটীয়া সম্প্ৰচাৰৰ ব্যৱস্থা কৰে।

মৰিগাওঁ জিলাৰ কৃষি বিভাগেও অনুষ্ঠানটোৰ পোনপটীয়া সম্প্ৰচাৰ কৰে। কপিলী উন্নয়ন খণ্ডৰ অধীনত চৰাইবাহী গাওঁ পঞ্চায়তত কেন্দ্ৰীয়ভাৱে আয়োজিত অনুষ্ঠানত মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰী মুখ্য অতিথি হিচাপে উপস্থিত থাকে। মৰিগাঁৱৰ প্ৰায় ৬৬হাজাৰ ৫৯৪গৰাকী কৃষকে প্ৰধানমন্ত্ৰীৰ কৃষক সন্মাননিধি এই অনুদান লাভ কৰিছে।

শোণিতপুৰ জিলাতো আজি মুঠ ৩৭হাজাৰ ৮০২গৰাকী কৃষকে এই আঁচনিৰ ধন লাভ কৰে।

কাছাৰ জিলাৰ মুঠ ৬৯হাজাৰ কৃষকে এই আঁচনিৰ ধন লাভ কৰে। শিৱসাগৰ জিলাৰ ৬২হাজাৰ ১৪৮গৰাকী কৃষকে বেংক একাউণ্টত পি এম কিষাণ আঁচনিৰ ধন লাভ কৰে।

০০০০০০০০

ঃঃ সমাপ্ত ঃঃ